# Visit of External Affairs Minister to Republic of Seychelles (November 27–28, 2020)

November 28, 2020

---

## বিদেশ বিষয়ক মন্ত্ৰীৰ চেইচেল্লচ গণৰাজ্য ভ্ৰমণ (নৱেম্বৰ 27–28, 2020)

নৱেম্বৰ 28, 2020

ভাৰতৰ বিদেশ বিষয়ক মন্ত্ৰী, ডঃ এছ জয়শংকৰে আজি চেইচেল্লচ গণৰাজ্যৰ নিজৰ দুদিনীয়া ভ্ৰমণ কাৰ্যসূচি সম্পন্ন কৰে। তেখেতে প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ ব্যক্তিগত বাৰ্তা কঢ়িয়াই নিয়াই এই কথা উল্লেখ কৰে যে ভাৰতে চেইচেল্লচৰ সৈতে নিজৰ সম্পৰ্কক কিমান গুৰুত্ব দিয়ে। নিজৰ ভ্ৰমনত, তেওঁ 27 নৱেম্বৰ 2020 তাৰিখে ৰাজ্যিক ঘৰত লগ কৰে। বিদেশ বিষয়ক মন্ত্ৰীয়ে নিজৰ প্ৰতিৰূপ মহামান্য মিঃ চিলভেষ্টে ৰাডেগণ্ডে, চেইচেল্লচৰ বিদেশ বিষয়ক আৰু পৰ্যটন মন্ত্ৰীৰ সৈতে আলোচনাত বহে।

ৰাষ্ট্ৰপতিৰ সৈতে কলত, ভাৰত চৰকাৰ আৰু জণগণৰ তৰফৰ পৰা, বিদেশ বিষয়ক মন্ত্ৰীয়ে, ৰাষ্ট্ৰপতি ৰামকালাৱানক অভিনন্দন জ্ঞাপন কৰে নিজৰ শেহতীয়া নিৰ্বাচনী জয়ৰ ওপৰত। তেওঁ জানুৱাৰী 2018 চনৰ তেখেতৰ ভাৰত ভ্ৰমণৰ কথা স্মৰণ কৰে আৰু এই বিশ্বাস প্ৰকাশ কৰে যে তেখেতে নেতৃত্বত, দুইখন দেশৰ মাজৰ গভীৰ সম্পৰ্ক আৰু অধিক উন্নত হ'ব। তেওঁ ভাৰতীয় নেতৃত্বৰ ফালৰ পৰা ৰাষ্ট্ৰপতি ৰামকালাৱানক নিমন্ত্ৰণ দিয়ে 2021 চনত ভাৰত ভ্ৰমণ কৰাৰ বাবে।

এই বৈঠকত, বিদেশ বিষয়ক মন্ত্ৰী আৰু ৰাষ্ট্ৰপতিয়ে আলোচনা কৰে ঐতিহাসিক চুবুৰীয়া সম্পৰ্কৰ যি অধিক শক্তিশালী হৈছে গণৰাজ্য আৰু আইনৰ নীতিৰ পাৰস্পৰিক বিশ্বাসৰ ভিত্তিত। বিদেশ বিষয়ক মন্ত্ৰীয়ে পুনৰ উল্লেখ কৰে প্ৰাক-কোভিড সময়ত ভাৰত-চেইচেল্লচ কৌশলগত আংশীদাৰীত্ব অধিক শক্তিশালীৰ কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতি। তেওঁ ভাৰতৰ এছ এ জি এ আৰ-ৰ (সুৰক্ষা আৰু বিকাশ অঞ্চলটোৰ সকলোৰ বাবে) দৰ্শনত চেইচেল্লচৰ প্ৰধান্যৰ যি ভাৰত সমুদ্ৰ অঞ্চলৰ প্ৰতি ভাৰতৰ নীতি প্ৰদৰ্শন কৰে। সমুদ্ৰৰ চুবুৰীয়া হিচাপে, চেইচেল্লচ চুবুৰীয়া প্ৰথমৰ এক অংশ।

ৰাষ্ট্ৰপতি ৰামকালৱানে মহামাৰীৰ সময়ত চিকিৎসা সামগ্ৰী আৰু গুৰুত্বপূৰ্ণ ঔষধৰ যোগানেৰে ভাৰতে কৰা সহায়ৰ প্ৰশংসা কৰে। তেওঁ দুইখন দেশৰ মাজৰ বিকাশ আৰু সুৰক্ষা আংশীদাৰীত্বক মূল্য দিয়ে আৰু চেইচেল্লচৰ ৰাষ্ট্ৰ গঠনত ইয়াৰ ধনাত্মক প্ৰভাৱৰ কথা কয়। নিজৰ ফালৰ পৰা, বিদেশ বিষয়ক মন্ত্ৰীয়ে ভাৰতৰ প্ৰতিশ্ৰুতি পুনৰ উল্লেখ কৰে চেইচেল্লচৰ ৰুচী আৰু ইচ্ছা সমৰ্থন কৰাৰ আৰু এই সহযোগিতা এক উচ্চ স্তৰলৈ লৈ যোৱাৰ।

আলোচনাত উল্লেখ কৰা হয় দ্বিপক্ষীয় সহযোগ অধিক গভীৰ আৰু বৃহৎ কৰাৰ প্ৰয়োজন আৰু কোভিড-19 মহামাৰীয়ে উপস্থাপন কৰা প্ৰত্যাহ্বানবোৰৰ সৈতে যুঁজিবলৈ সহযোগ আৰু যোগাযোগ কৰাৰ। তেওঁলোকে ড্ৰাগছ ব্যৱসায়, আই ইউ ইউ ফিচিং, পাইৰেচি আৰু বতৰ পৰিৱৰ্তনৰ সৈতে যুঁজিবলৈ যুটীয়া প্ৰচেষ্টা শক্তিশালী কৰাৰ কথাও উল্লেখ কৰে। তেওঁলোকে বহুতো আঞ্চলিক বিষয়ৰ ওপৰতো আলোচনা কৰে।

বিদেশ বিসয়ক মন্ত্ৰীয়ে চেইচেল্লচৰ বিদেশ মন্ত্ৰীৰ সৈতে মন্ত্ৰী-স্তৰৰ আলোচনা কৰে। দুয়োজন মন্ত্ৰীয়ে দ্বিপক্ষীয় সম্পৰ্কৰ বিভিন্ন দিশ আলোচনা কৰে যাৰ ভিতৰত থাকে আংশীদাৰীত্বম ক্ষমতা নিৰ্মাণ, প্ৰতিৰক্ষা সহযোগিতা, ব্যক্তিগত আৰু সাংস্কৃতিক সম্পৰ্ক, বাণিজ্য, পৰ্যটন আৰু ব্যৱসায়, আৰু স্বাস্থ্য বিকাশ।

**ভিক্টৰীয়া**
**নৱেম্বৰ 28, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.